# অভিজ্ঞতাবাদৰ মূল বক্তব্য বা বৈশিষ্ট্য (Main Theses or Characteristics of Empiricism)

১। অভিজ্ঞতাবাদ অনুসৰি যথাৰ্থ জ্ঞান অৰ্জনৰ প্ৰধান উৎস হ'ল ইন্দ্ৰিয়-প্ৰত্যক্ষ বা অভিজ্ঞতা। ইন্দ্ৰিয়-অভিজ্ঞতাই আমাৰ সমস্ত জ্ঞানৰ উৎস। পাঁচটা বহিৰিন্দ্ৰিয় আৰু মন নামৰ অন্তৰিন্দ্ৰিয়ৰ মাধ্যমত আমাৰ যাৱতীয় অভিজ্ঞতা হয়। বাহ্যজগত আৰু মনোজগত- আদি সকলো ধৰণৰ জগতৰ জ্ঞান ইন্দ্ৰিয়-প্ৰত্যক্ষৰে লাভ কৰিব পাৰি। পঞ্চ-ইন্দ্ৰিয়ৰ মাধ্যমত আমি বাহ্যজগত সম্বন্ধে জ্ঞান লাভ কৰোঁ আৰু ষষ্ঠ ইন্দ্ৰিয় অৰ্থাৎ মনৰ মাধ্যমত আমি মানসিক জগতৰ বিভিন্ন অনুভূতিৰ জ্ঞান লাভ কৰোঁ। ল'কৰ মতে, সংবেদনৰ (sensation) দ্বাৰা বাহ্যবস্তু সম্পৰ্কে জ্ঞান লাভ কৰা যায় আৰু মানসিক জগতৰ জ্ঞান লাভ কৰা যায় অন্তৰ্দৰ্শনৰে (reflection)। গতিকে সংবেদন বা ইন্দ্ৰিয়-প্ৰত্যক্ষৰ পৰাই আমাৰ সকলো জ্ঞানৰ উৎপত্তি।

২। অভিজ্ঞতাবাদী দাৰ্শনিকসকলে জ্ঞান অৰ্জনৰ সময়ত মনৰ নিষ্ক্ৰয় ভূমিকাকে সমৰ্থন কৰে। মৌলিক ধাৰণা গ্ৰহণ কৰাৰ ক্ষেত্ৰত মন নিষ্ক্ৰিয় গ্ৰাহক বা দ্ৰষ্টামাত্ৰ। পিছত মন সক্ৰিয়ভাৱে এই মৌলিক ধাৰণাবোৰক সংযুক্ত কৰি, পৰস্পৰৰ লগত তুলনা কৰি জটিল ধাৰণা গঠন কৰে।

৩। আমাৰ কোনো জ্ঞানেই অভিজ্ঞতাপূৰ্ব সহজাত বা অন্তৰ্জাত ধাৰণাৰ পৰা উৎপত্তি নহয়। জন্মৰ সময়ত আমাৰ মন কোনো ধৰণৰ সহজাত ধাৰণা লৈ জন্মগ্ৰহণ নকৰে। জন্মৰ সময়ত আমাৰ মন 'এখন অলিখিত বগা কাগজ' (tabula rasa) বা 'পৰিচ্ছন্ন শ্লেট'ৰ (clean slate) দৰে হৈ থাকে। পিছত ইন্দ্ৰিয়-প্ৰত্যক্ষৰ দ্বাৰা লাভকৰা বাহ্যিক বিষয়ৰ অভিজ্ঞতাৰ দ্বাৰা সম্পূৰ্ণ খালী হৈ থকা মন জ্ঞানেৰে পৰিপূৰ্ণ হৈ পৰে।

৪। অভিজ্ঞতাবাদ অনুসৰি জ্ঞান অৰ্জনৰ যথাৰ্থ পদ্ধতি হ'ল আগমনাত্মক পদ্ধতি (Inductive Method)। অভিজ্ঞতাবাদীসকলৰ অভিমত অনুসাৰে ইন্দ্ৰিয়-প্ৰত্যক্ষৰ দ্বাৰা বিশেষ বিশেষ বস্তুৰ জ্ঞানৰ সহায়ত আগমনাত্মক পদ্ধতিৰে সামান্যীকৰণৰ সহায়ত সাধাৰণ নিয়ম সম্পৰ্কে জ্ঞান লাভ কৰা হয়।

৫। অভিজ্ঞতাবাদীসকলৰ মতে, প্ৰকৃত জ্ঞানত নতুনত্ব (novelty) থাকিব। ইন্দ্ৰিয়-অভিজ্ঞতাৰ সহায়ত নানাবিধ বাস্তৱ তথ্য সম্পৰ্কে আমি জ্ঞান লাভ কৰোঁ আৰু এনেকুৱা জ্ঞানৰ বৈশিষ্ট্য হৈছে নতুনত্ব প্ৰদান।

# বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদৰ পাৰ্থক্য (Differences between Rationalism and Empiricism)

এমন হেথায়। হত ইবাদ অংশজ অনাও উঠে তনা নদও

মনত সয়া যে আছেজ য়ত অমান হৈ থাকে-

বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদ জ্ঞানৰ উৎপত্তি সম্পৰ্কীয় দুটা পৰস্পৰ বিৰোধী মতবাদ। বুদ্ধিবাদ বা যুক্তিবাদ আৰু অভিজ্ঞতাবাদৰ মাজত তলত দিয়া পাৰ্থক্যসমূহ পৰিলক্ষিত হয়:

১। বুদ্ধিবাদ অনুসৰি বুদ্ধি বা যুক্তিয়েই যথাৰ্থ জ্ঞানৰ একমাত্ৰ উৎস। আমি সমস্ত জ্ঞানৰ বুদ্ধিৰ জৰিয়তে লাভ কৰোঁ। বৃদ্ধিৰ দ্বাৰা যি জ্ঞান পোৱা যায় সি নিৰ্ভুল, অভ্ৰান্ত আৰু নিঃসন্দিগ্ধ। কিন্তু অভিজ্ঞতাবাদে ইয়াৰ বিপৰীত অভিমত আগবঢ়াই কয় যে, ইন্দ্ৰিয়-প্ৰত্যক্ষ বা অভিজ্ঞতাই যথাৰ্থ জ্ঞানৰ উৎস। আমাৰ যাৰতীয় জ্ঞান ইন্দ্ৰিয়-প্ৰত্যক্ষৰ পৰাই উৎপন্ন হয়।

২। বুদ্ধিবাদ অনুসৰি জ্ঞান হ'ব সাৰ্বিক, অনিবাৰ্য আৰু অপৰিৱৰ্তনীয়। প্ৰকৃত জ্ঞান সকলো সময়তে সকলোৰে বাবে একেই থাকিব। কিন্তু অভিজ্ঞতাবাদ অনুসৰি প্ৰকৃত জ্ঞানত নতুনত্ব থাকিব লাগিব।

৩। জ্ঞানোৎপত্তিৰ ক্ষেত্ৰত বুদ্ধিবাদে মনৰ সক্ৰিয় ভূমিকাক সমৰ্থন কৰে। বুদ্ধিবাদ মতে, আমাৰ মন স্বৰূপতঃ সক্ৰিয় আৰু বুদ্ধি হ'ল মনৰ স্বাভাৱিক ধৰ্ম। এই বুদ্ধিৰ সহায়ত মন তাৰ সহজাত ধাৰণাবোৰৰ পৰা সক্ৰিয়ভাৱে সৰ্বৰ্জন স্বীকৃত যথাৰ্থ জ্ঞান লাভ কৰে। কিন্তু অভিজ্ঞতাবাদে জ্ঞানোৎপত্তিৰ ক্ষেত্ৰত মনৰ নিষ্ক্ৰিয় ভূমিকাক সমৰ্থন কৰে। অভিজ্ঞতাবাদ অনুসৰি মনে নিষ্ক্ৰিয়ভাৱে কেৱল ধাৰাণাবোৰ গ্ৰহণ কৰে।

৪। বুদ্ধিবাদ মানুহৰ মনত পূৰ্বৰে পৰা সুপ্তভাৱে থকা কিছুমান সহজাত বা অন্তৰ্জাত ধাৰণাত বিশ্বাসী। সহজাত ধাৰণাবোৰ জন্মৰ সময়ৰ পৰাই আমাৰ মনত সুপ্তভাবে নিহিত থাকে; যেনে- অসীমতা, নিত্যতা, পূৰ্ণতা, কাৰণতা, ঈশ্বৰৰ ধাৰণা ইত্যাদি। বৃদ্ধিবাদীসকলৰ মতে, এই সহজাত ধাৰণাবোৰৰ পৰাই নিগমনাত্মক পদ্ধতিৰে যথাৰ্থ জ্ঞান লাভ কৰিব পাৰি। কিন্তু অভিজ্ঞতাবাদে সহজাত ধাৰণাৰ অস্তিত্বত বিশ্বাস নকৰে। এই মতবাদ অনুসৰি সহজাত ধাৰণা বুলি বাস্তৱত একো নাই। আমাৰ সকলো ধাৰণাই অভিজ্ঞতালব্ধ। জন্মৰ সময়ত আমাৰ মন 'এখন অলিখিত বগা কাগজ'ৰ দৰে হৈ থাকে। পিছত অভিজ্ঞতাৰে ই পৰিপূৰ্ণ হৈ পৰে।

৫। বুদ্ধিবাদ অনুসৰি জ্ঞান অৰ্জনৰ যথাৰ্থ পদ্ধতি হ'ল নিগমনাত্মক পদ্ধতি অৰ্থাৎ গাণিতিক পদ্ধতি বা জ্যামিতিক পদ্ধতি